**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-05-2026 **Time :** 1100 Hrs.

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈ অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱনিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কাম-কাজ পৰিচালনা কৰিব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক বিধানসভাৰ অধ্যক্ষ হিচাপে মনোনীত কৰিছে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

০০০০০০০

অসম সহ উত্তৰ-পূৰ্বাঞ্চলৰ হস্তশিল্পী আৰু শিপিনীৰ এটা দলে কালি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। এই সাক্ষাৎকালত শিপিনীসকলে তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে। এইবাৰৰ গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আয়োজন কৰা এট হোম শীৰ্ষক আতিথ্য অনুষ্ঠানৰ বিশেষ আমন্ত্ৰণি পত্ৰ প্ৰস্তুত কৰাত এই শিপিনী আৰু হস্তশিল্পীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁলোকে ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ শিল্প-সংস্কৃতি আৰু ঐতিহ্যক ৰাষ্ট্ৰীয় মঞ্চত সুন্দৰভাৱে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি এই শিপিনী আৰু শিল্পীসকলক সাক্ষাৎ কৰাৰ পাছত তেওঁলোকৰ প্ৰতিভাৰ প্ৰশংসা কৰাৰ লগতে এই শিল্পীসকলৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত প্ৰয়োজনীয় সহায় কৰিবলৈ সংশ্লিষ্ট বিভাগক আহ্বান জনায়।

বাইট

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূৰ্বাঞ্চলৰ সৃষ্টিশীলতা, দক্ষতা আৰু সাংস্কৃতিক গৌৰৱৰ এয়া অনন্য স্বীকৃতি বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে অঞ্চলটোৰ শিল্পীসকলৰ বাবে এয়া বিৰল সন্মানৰ ক্ষণ বুলি মন্তব্য কৰে। ০০০০০০০

ব্ৰহ্মপুত্ৰক বহুমুখী অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ লগতে অঞ্চলটোৰ বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। কালি গুৱাহাটীত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত শ্ৰী পাটিলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বান, খহনীয়া নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত বিষয়টো আলোচনা কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। এতিয়াৰ পৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ডত ছিকিম আৰু পশ্চিমবংগক অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰত জল মেট্ৰ'সেৱা আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ

কয়, যে গুৱাহাটীকে ধৰি দেশৰ ১৮ খন চহৰৰ পৰা এই সেৱা আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা লৈছে।

০০০০০০০০০

ৰাজ্যৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলৰ পেন্সন প্ৰক্ৰিয়াত হোৱা অনাহক বিলম্ব নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো দীঘলীয়া সময় ধৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্য আদায়ৰ বাবে কাৰ্যালয়ে কাৰ্যালয়ে ঘূৰি ফুৰিবলগীয়া অৱস্থা নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰিছে। সেই অনুসৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত পেন্সন প্ৰক্ৰিয়া সম্পন্ন নহ'লে দায়িত্বত থকা বিষয়াক আৰ্থিক জৰিমনা বিহাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। তদুপৰি প্ৰতিমাহে পেন্সন বিলম্ব হোৱা সকলৰ তালিকা প্ৰস্তুত কৰি কৃতজ্ঞতা প'ৰ্টেলত আপলোড কৰাৰ বাবেও চৰকাৰে ব্যৱস্থা কৰিছে।

০০০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। কামাখ্যা ধামৰ অম্বুবাচী মেলা সন্দৰ্ভত মন্ত্ৰী অজন্তা নেওগৰ অধ্যক্ষতাত ৰাজ্যৰ বিভিন্ন বিভাগৰ এখন বৈঠক ইতিমধ্যে অনুষ্ঠিত হৈছে। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু দলৈ সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত অম্বুবাচী মেলা সফলতাৰে সম্পন্ন কৰাৰ দিশত আলোচনা কৰা হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত জয়পুৰত অনুষ্ঠিত এখন খেলত যোৱা নিশা ৰাজস্থান ৰয়েলছে লক্ষ্নৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে।

ৰয়েল চেলেঞ্জাৰ বেংগালুৰু , গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে ইতিমধ্যে প্লে-অফৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

**সমাপ্ত**